**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

শীতৰ প্ৰকোপ বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহ আজিৰে পৰা অহা ৬ জানুৱাৰীলৈ বন্ধ ৰখাৰ বাবে শিক্ষা বিভাগে নিৰ্দেশ জাৰি কৰিছে। জিলাখনৰ বিদ্যালয়খনৰ পৰিদৰ্শক আৰু সমগ্ৰ শিক্ষা অসমৰ জিলা সমন্বয়কে এই নিৰ্দেশ জাৰি কৰিছে। জিলাখনৰ আয়ুক্তৰ সৈতে আলোচনা কৰি গ্ৰহণ কৰা এই সিদ্ধান্ত অনুসৰি সকলো বিদ্যালয় বন্ধ ৰখা হ'ব। আনহাতে, ব্যক্তিগত বিদ্যালয়সমূহকো ছাত্ৰ-ছাত্ৰীৰ সুবিধা হোৱাকৈ এই নিৰ্দেশ বিবেচনা কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। উল্লেখযোগ্য যে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শীতৰ প্ৰকোপ অব্যাহত থাকিলে বিদ্যালয়সমূহ বন্ধ ঘোষণাৰ কথা বিবেচনা কৰা হ'ব বুলি কালি সাংবাদিকৰ আগত প্ৰকাশ কৰিছিল।

উল্লেখযোগ্য যে বিগত তিনি-চাৰিদিন ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰ শীতৰ কবলত পৰিছে। আজিও গোটেই দিনটো ঘন কুঁৱলীয়ে মহানগৰৰ চৌপাশ আবৰি ৰখাৰ ফলত দৃশ্যমানতা হ্ৰাস পায়। বৰঝাৰৰ বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই জনোৱা মতে গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ সৰ্বনিম্ন তাপমাত্ৰাৰ বিশেষ সাল-সলনি ঘটা নাই যদিও সৰ্বোচ্চ তাপমাত্ৰা দুদিনৰ ভিতৰত কমেও ৬ ডিগ্ৰী হ্ৰাস পাইছে।

গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত কেইবাখনো বিমানৰ উৰণ আৰু অৱতৰণ কেইবা ঘণ্টাও বিলম্ব হয়। শীত প্ৰবাহ আৰু ঘন কুঁৱলীৰ বাবে দেশৰ বিমান পৰিবহণ সংস্থাসমূহে শতাধিক ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় বিমানৰ সেৱা বাতিল কৰে। ভালেসংখ্যক বিমান বন্দৰত ইয়েল' এলাৰ্ট জাৰি কৰা হৈছে। তদুপৰি ৰাজধানী চহৰ দিল্লীৰ পৰা ভিন্ন প্ৰান্তলৈ উৰা মাৰিবলগীয়া ২০০ খন বিমানৰ উৰণৰ সময়সূচী পিছুৱাই দিয়া হয়। পৰৱৰ্তী কেইটামান দিনতো অসমৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত কুঁৱলীৰ আচ্ছাদন একেদৰে থাকিব বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। অসমত অহা ২ জানুৱাৰীলৈ আকাশ ঘন কুঁৱলীয়ে ঢাকি ৰাখিব বুলি কোৱা হৈছে।

০০০০০০

অসমত মৌলবাদী সমস্যাটো বহুদিনলৈ থাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে। মৌলবাদী কাৰ্যকলাপৰ লগত জড়িত ১১ জন লোকক গ্ৰেপ্তাৰ কৰাৰ পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিষয়টো সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, যে মৌলবাদী অসমত শক্তিশালী হৈ আছে। যিহেতু অসম বাংলাদেশৰ চুবুৰীয়া ৰাজ্য সেয়েহে অসমত এনে সমস্যা বহুদিনলৈ থাকিব বুলি তেওঁ কয়।

উল্লেখযোগ্য যে ৰাজ্যত গোপনে কূটাঘাতমূলক কাৰ্যকলাপত লিপ্ত হোৱা বহিঃৰষ্ট্ৰৰ মৌলবাদী শক্তিক **অপাৰেচন প্ৰতিঘাত**ৰ জৰিয়তে উৎখাত কৰা বুলি গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তই প্ৰকাশ কৰিছে। মহানগৰ আৰক্ষী আয়ুক্তৰ নতুন কাৰ্যালয়ত কালি সম্বোধন কৰা এখন সংবাদমেলত আৰক্ষী আয়ুক্তগৰাকীয়ে কয়, যে দেশৰ আন দুখন ৰাজ্যৰ লগতে অসমতো বাংলাদেশী মৌলবাদীৰ বিৰুদ্ধে অভিযান অব্যাহত আছে। **অপাৰেচন প্ৰতিঘাত** নামেৰে চলা আৰক্ষীৰ এই অভিযানত স্পেচিয়েল টাস্ক ফৰ্চে ১১ জন বাংলাদেশী মৌলবাদীক গ্ৰেপ্তাৰ কৰিছে। ৰাজ্যৰ দৰং, চিৰাং, বৰপেটা আৰু বাক্সা জিলাত **অপাৰেচন প্ৰতিঘাত** অভিযান চলোৱা হৈছিল। অসমত মৌলবাদী কাৰ্যকলাপ বিয়পোৱাৰ কৌশল ৰচা তামিম ইছলাম নামৰ মৌলবাদী সদস্যজনক এছ টি এফে গ্ৰেপ্তাৰ কৰে। ইয়াৰ লগতে এছ টি এফে অসমত বাহৰ পাতি মৌলবাদ বিয়পোৱাৰ চেষ্টা কৰা জামাত-উল-মুজাহিদ্দিনৰ দহজন সদস্যক গ্ৰেপ্তাৰ কৰে। এনে মৌলবাদীৰ বিৰুদ্ধে এছ টি এফে ত্ৰিপুৰা আৰু পশ্চিমবংগতো

অভিযান চলাইছিল। গ্ৰেপ্তাৰ হোৱা মৌলবাদী সদস্যকেইজনৰ পৰা বহু আপত্তিজনক সামগ্ৰী জব্দ কৰা বুলিও আৰক্ষী আয়ুক্তগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। ধৃত জামাত-উল-মুজাহিদ্দিন বাংলাদেশৰ সদস্যকেইজনে মূলত ডিজিটেল জেহাদেৰে ৰাজ্যৰ যুৱ প্ৰজন্মক লক্ষ্য কৰি লৈছিল। অসমৰ বিভিন্ন স্থানৰ আওঁহতীয়া অঞ্চলৰ যুৱ সমাজক তেওঁলোকে মূল লক্ষ্য হিচাপে লোৱা বুলিও আৰক্ষী আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰিছে। মৌলবাদী শক্তিটোৱে ডিজিটেল জেহাদেৰে অসমত ধন সংগ্ৰহ কৰি বাংলাদেশলৈ প্ৰেৰণ কৰিছিল। আৰক্ষী আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি ইমাম মেহমুদ্দাৰ কাফিলা চমুকৈ আই এম কে, আনছাৰুল্লাহ বাংলা টীম চমুকৈ এ বি টি, অল কায়দা ইণ্ডিয়ান ছাবকণ্টিনেণ্ট চমুকৈ এ কিউ আই এছ আদি মৌলবাদী সংগঠনে অসম তথা ভাৰতক অশান্ত কৰাৰ লক্ষ্যৰে কূট কৌশল ৰচনা কৰিছিল।

**বাইট (পাৰ্থ সাৰথি মহন্ত)**

oooooo

প্ৰথিতযশা সাহিত্যিক, মিতভাষৰ স্ৰষ্টা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ নগেন শইকীয়াক কালি বৰেণ্য অসমীয়া বঁটাৰে সন্মানিত কৰা হয়। অসমৰ এটা বৈদ্যুতিন আৰু ছপা সংবাদ গোষ্ঠীয়ে সাহিত্যিকগৰাকীৰ বাসগৃহত এই সন্মান আগবঢ়ায়। অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড০ কন্দৰ্প কুমাৰ ডেকা, সাহিত্যাচাৰ্য ড০ কৰবী ডেকা হাজৰিকা আৰু শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ হিৰেন্দ্ৰনাথ শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

oooooo

**সমাপ্ত**